## জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নং ঃ ১৫১/২০২০

**ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে পৰ্যালোচনা কৰিলে ক'ভিড-১৯ ৰ সাম্প্ৰতিক পৰিস্থিতি**

**ক'ভিড-১৯ ৰ প্ৰাদুৰ্ভাবৰ সৈতে শক্তিশালীভাৱে মোকাবিলা কৰাৰ দিশত প্ৰধানমন্ত্ৰীয়ে লোৱা ভূমিকাৰ শলাগ ল'লে মুখ্যমন্ত্ৰীয়ে**

**স্বাস্থ্য সামগ্ৰীৰ অবিৰত আন্তঃৰাজ্যিক যোগান বজাই ৰখাৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ**

**দিছপুৰ, ২ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে ৰাষ্ট্ৰৰ ক'ভিড-১৯ ৰ সাম্প্ৰতিক পৰিস্থিতি তথা বিভিন্ন ৰাজ্যই এই ৰোগ সংক্ৰমণ প্ৰতিৰোধৰ দিশত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ পৰ্যালোচনা কৰে। দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও এই ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপ সমূহ প্ৰধানমন্ত্ৰীক অৱগত কৰে।

ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে মত-বিনিময় কৰোতে মুখ্যমন্ত্ৰী সোণোৱালে দেশত ক'ভিড- ১৯ প্ৰাদুৰ্ভাবৰ মোকাবিলা কৰাৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্য সমূহক প্ৰদান কৰা সৱল নেতৃত্বৰ বাবে প্ৰধানমন্ত্ৰীৰ শলাগ লয়। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে ২১ দিনৰ সময়োচিত লক ডাউন ঘোষণা কৰাৰ বাবেহে এতিয়ালৈকে দেশত ক'ৰণা ভাইৰাছত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা হ্ৰাস পাই আছে। মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা সকলো পদক্ষেপ ৰাজ্যখনৰ জনসাধাৰণে নিষ্ঠাৰে পালন কৰি আছে বুলি কোৱাৰ লগতে ভৱিষ্যতেও এই দিশত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই যাব বুলি কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যোৱা ৩০ মাৰ্চলৈকে ৰাজ্যখনত ক'ভিড-১৯ ৰ সংক্ৰমণৰ কোনো এটা ঘটনা হোৱা নাছিল। কিন্তু ৩১ মাৰ্চত ৰাজ্যখনত প্ৰথমটো ক'ৰণা ভাইৰাছৰ সংক্ৰমণৰ ঘটনা ধৰা পৰে আৰু তেতিয়াৰ পৰা সৰ্বমুঠ ১৬ গৰাকী ব্যক্তিৰ শৰীৰত এই সংক্ৰমণ ধৰা পৰিছে। এই সকলোবোৰ ৰোগীয়ে বৰ্তমান চিকিৎসাধীন হৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে নভেল ক'ৰণা ভাইৰাছৰ সংক্ৰমণৰ আৰম্ভণিৰ পৰা ৰাজ্যখনত সৰ্বমুঠ ৬৭, ৪৩৬ গৰাকী ব্যক্তিক চৰকাৰী চিকিৎসালয় অথবা ঘৰত আছুতিয়াকৈ ৰখা হৈছে আৰু ১৬ গৰাকী ব্যক্তিক চৰকাৰী হাস্পতালত আইচ'লেচনত ৰখা হৈছে।

ক'ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ দিশত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী সমূহ প্ৰধানমন্ত্ৰীক অৱগত কৰি মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য-সামগ্ৰী প্ৰস্তুতকাৰী প্ৰদেশ সমূহৰ পৰা অন্য ৰাজ্যলৈ এই সমূহ সামগ্ৰীৰ অবিৰত যোগান অব্যাহত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে ক'ভিড-১৯ ত আক্ৰান্ত ৰোগীসকলৰ চিকিৎসা ফলপ্ৰসূভাৱে কৰিব পৰা যায়।

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ ডিব্ৰুগড়, গুৱাহাটী,

লখিমপুৰ, শিলচৰ আৰু বঙাইগাঁৱত ৫ খন ক'ভিড -১৯ ৰ সুকীয়া হাস্পতাল নিৰ্মাণৰ বাবে পদক্ষেপ লৈ থকা হৈছে বুলি কয়। তদুপৰি ৰাজ্যখনৰ চিকিৎসা মহাবিদ্যালয় সমূহ ক'ভিড-১৯ হাস্পতাললৈ ৰূপান্তৰ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই চিকিৎসা মহাবিদ্যালয় কেইখনত থকা অন্যান্য ৰোগীসকলক ব্যক্তিগত হাস্পতাললৈ স্থানান্তৰিত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কোৱাৰ লগতে তেওঁলোকৰ চিকিৎসা ব্যয় ৰাজ্য চৰকাৰে বহন কৰিব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে লগতে জনায় যে অসম চিকিৎসা মহাবিদ্যালয়, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, শিলচৰ চিকিৎসা মহাবিদ্যালয়, মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতাল আৰু সোণাপুৰ জিলা হাস্পতালক ইতিমধ্যে সম্পূৰ্ণ কাৰ্যক্ষম কৰি তোলাৰ উপৰি ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাল, তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল, যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু ডিফু চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম কৰি তোলাৰ প্ৰক্ৰিয়া চলি আছে। চিকিৎসক আৰু পাৰামেডিকেল ষ্টাফৰ প্ৰশিক্ষণ, সৰুসজাই ষ্টেডিয়ামত ১ হাজাৰ বিছনাযুক্ত কোৱাৰেন্টাইন সা-সুবিধা তথা অন্যান্য দিশত গ্ৰহণ কৰা পদক্ষেপ সমূহো মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক অৱগত কৰে।

ভিডিঅ' কনাফাৰেন্সিঙৰ জৰিয়তে মত-বিনিময় কৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰে এই জটিল সন্ধিক্ষণত ৰাজ্যখনৰ দুখীয়া জনসাধাৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহো প্ৰধানমন্ত্ৰীক অৱগত কৰে। এই দিশত মুখ্যমন্ত্ৰীয়ে কয় যে ১ এপ্ৰিলৰ পৰা ৰাজ্যখনত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ৫৮ লাখ পৰিয়াললৈ বিনামূলীয়া চাউল যোগানৰ দিশত পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিয়ে সামৰি নোলোৱা ৫ লাখ দুখীয়া, গৃহহীন পৰিয়াললৈ ১ হাজাৰ টকাকৈ প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। তদুপৰি মুখ্যমন্ত্ৰী কৃষি সা-সজুলী যোজনাৰ অধীনত ৰাজ্যখনৰ ৬ লাখ উপান্ত আৰু ক্ষুদ্ৰ কৃষক পৰিয়ালৰ বেংক একাউন্টলৈ ২৫০০ টকাকৈ প্ৰদানৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি গৃহ তথা অন্যান্য নিৰ্মাণ খণ্ডৰ শ্ৰমিক কল্যাণ পৰিষদত পঞ্জীয়নভুক্ত ২.৭৮ লাখ শ্ৰমিকৰ প্ৰত্যেকৰ বেংক একাউন্টলৈ ১ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি এমাহ ধৰি বিদেশত আবদ্ধ হৈ থকা ৰাজ্যখনৰ বাসিন্দালৈ ২ হাজাৰ ডলাৰকৈ হস্তান্তৰকৰণৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে বুলিও তেওঁ কয়।

ৰাজ্যখনত লক ডাউন বলবৎকৰণৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই লক ডাউন নিশ্চিত কৰাৰ বাবে ৰাজ্যৰ পুলিচ প্ৰশাসন আৰু অৰ্দ্ধসামৰিক বাহিনীসমূহক নিয়োগ কৰা হৈছে বুলিও কয়। লক ডাউনৰ সময়ছোৱাৰ পৰিস্থিতি ভালদৰে নিৰীক্ষণ কৰাৰ বাবে ৰাজ্যখনৰ প্ৰতিগৰাকী মন্ত্ৰীকে দুখন জিলা নিৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি তেওঁ নিজেও বিগত এসপ্তাহত ৰাজ্যখনৰ ১৩ খন জিলা পৰিদৰ্শন কৰাৰ উপৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ সকলো কেইখন চিকিৎসা মহাবিদ্যালয় হাস্পতাল, জিলা হাস্পতাল পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক অৱগত কৰে।

লক ডাউনৰ বাবে ৰাজ্যখনত আবদ্ধ হৈ থকা বিভিন্ন ৰাজ্যৰ শ্ৰমিক সকলৰ বাবে ৰাজ্য চৰকাৰে আশ্ৰয় তথা ৰচদ-পাতিৰ যোগান ধৰি আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি লক ডাউনৰ বাবে ৰাজ্যখনৰ

বাহিৰত আবদ্ধ হৈ থকা অসমৰ জনসাধাৰণক অসম ভৱন আৰু অসম হাউছৰ জৰিয়তে তথা সংশ্লিষ্ট ৰাজ্যসমূহৰ জিলা প্ৰশাসনৰ সৈতে যোগাযোগ চলাই প্ৰয়োজনীয় সা-সুবিধা প্ৰদানৰ দিশটো পদক্ষেপ লৈ থকা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। লক ডাউনৰ সময়ছোৱাত কাৰাবন্দী সকলৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহো মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে উচ্চ ক্ষমতা সম্পন্ন সমিতিৰ অনুমোদনৰ ভিত্তিত ১ হাজাৰতকৈও অধিক হাজোতীক মোকলাই দিয়া হৈছে। তদুপৰি প্ৰতিখন কাৰাগাৰতে কোৱাৰেন্টাইনৰ বাৰ্ড সৃষ্টি কৰাৰ উপৰি কাৰাবন্দীসকলৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষা চলাই থকা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ বিশেষকৈ কাৰবান্দীসকলৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লৈ প্ৰধানমন্ত্ৰীয়ে বাকী ৰাজ্য সমূহকো অসমে এই ক্ষেত্ৰত লোৱা পদক্ষেপৰ অনুৰূপ ব্যৱস্থা হাতত ল'বলৈ নিৰ্দেশ দিয়ে। প্ৰধানমন্ত্ৰীয়ে বিভিন্ন ৰাজ্যৰ বৃদ্ধাৰাসত থকা বয়োজ্যেষ্ঠসকলৰ দিশত সকলো প্ৰকাৰৰ সেৱা আগবঢ়োৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে ৰাজ্য চৰকাৰসমূহে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপ সমূহৰ বিষয়েও কোৱাৰ লগতে এই জটিল সন্ধিক্ষণত সকলোকে দলীয় মানসিকতাৰে কাম কৰাৰ বাবেও আহ্বান জনায়।

ইয়াৰ পূৰ্বে ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ সচিব প্ৰীতি চুদানে ভাৰতত ক'ভিড-১৯ সম্পৰ্কীয় এক প্ৰেজেন্টশ্যনো প্ৰদান কৰি ইয়াৰ বিভিন্ন দিশ আলোকপাত কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও মুখ্যমন্ত্ৰী সকলক সম্বোধন কৰি সমগ্ৰ দেশতে লক ডাউন সৰ্বাত্মকৰূপত পালন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

হাৰিয়ানা, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, কেৰেলা, ৰাজস্থান, গুজৰাট, মহাৰাষ্ট্ৰ, বিহাৰ আৰু মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী কেইগৰাকীয়েও তেওঁলোকৰ ৰাজ্যসমূহৰ পৰিস্থিতি সম্পৰ্কে প্ৰধানমন্ত্ৰীক অৱগত কৰাৰ উপৰি এই সংক্ৰমণ ৰোধ কৰাৰ দিশত সংশ্লিষ্ট ৰাজ্যসমূহে গ্ৰহণ কৰা ব্যৱস্থাৱলীসমূহো প্ৰধানমন্ত্ৰীক অৱগত কৰে।

ভিডিঅ' কনাফাৰেন্সিঙৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে ক'ভিড-১৯ ৰ শেহতীয়া পৰিস্থিতি পৰ্যালোচনা কৰাৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্য সচিব কুমাৰ সঞ্জয়কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ সিনহা,স্বাস্থ্য বিভাগৰ আয়ুক্ত সচিব অনুৰাগ গোৱেল উপস্থিত থাকে।

**বীঃগঃ /বঃভাঃ**
**২/৪/২০২০**